3rd Sem.

# প্ৰাক্ স্বাধীনতাকালীন অসমীয়া নাৰী আৰু সমাজ

প্ৰাক্ স্বাধীনতা কালত পুৰণি অসমৰ সমাজ ব্যৱস্থা আছিল পুৰুষ প্ৰধান তথা মাতৃপ্ৰধান সমাজ ব্যৱস্থাৰ সংমিশ্ৰণ। সেয়ে হ'লেও পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীয়ে বিভিন্ন সময়ত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল, কিয়োনো ১৯ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পৰাই সামাজিক জীৱনত নাৰীসকলে লাহে লাহে সকলো কামতে অংশ গ্ৰহণ কৰা দৃষ্টিগোচৰ হয়। কোৱা হয় এটা জাতিৰ প্ৰগতি আৰু শক্তি নিৰ্ভৰ কৰে সেই জাতিৰ নাৰী শক্তিৰ ওপৰত। আমি যদি আমাৰ পৰম্পৰাগত জীৱনলৈ উভতি চাওঁ তেনেহ'লে নাৰীয়ে ঘৰুৱা কাম কৰি বা গৃহপত্নী হৈ জীৱন অতিবাহিত কৰিছিল। দীৰ্ঘদিন ধৰি মহিলাসকলে তেনেকুৱা সামাজিক পৰিৱেশতে দিন অতিবাহিত কৰিছিল, কিন্তু নাৰী হৈছে সমাজৰ এটা অবিচ্ছেদ্য অংগস্বৰূপ আৰু নাৰীয়ে সমাজত মুখ্য ভূমিকা পালন কৰিছে। তথাপিও আমাৰ সমাজ ব্যৱস্থা হৈছে পুৰুষ দমনশীল সমাজ, গতিকে পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষে সামাজিক কামকাজ বা অন্যকামত অংশগ্ৰহণ কৰে। সাধাৰণতে নাৰীয়ে ৰক্ষণশীল জীৱন এটা অতিবাহিত কৰিব লাগে আৰু সিদ্ধান্ত গ্ৰহণত সদায় সহায়কাৰী ভূমিকা পালন কৰে আৰু পাৰিবাৰিক জীৱনতো স্বামী গৰাকীহে সদায় জয় হয়। এগৰাকী নাৰী মাতৃ, আইতা, ভগ্নী, পত্নী সকলো হয়, কিন্তু তেওঁলোকৰ প্ৰায় ভাগৰে বৈবাহিক জীৱনৰ আৰম্ভণী হয় কষ্টদায়ক, কন্টকাকীৰ্ণ। ইয়াৰোপৰি সমাজৰ সৈতে নাৰীৰ সম্পৰ্ক হৈছে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, শিক্ষা ৰাজনীতি আদি সকলো দিশতে অংশ গ্ৰহণ কৰি সমাজৰ বিকাশ সাধন কৰা। কিন্তু প্ৰাক্ স্বাধীনতা কালত নাৰীৰ অৰ্থনৈতিক জীৱনো পুৰুষৰ অধীনত আছিল। লাহে লাহে আধুনিকীকৰণ, অৰ্থনৈতিক স্বাৱলম্বীতা, নগৰীকৰণ আদিয়ে নাৰীৰ সামাজিক জীৱন অধিক উন্নত কৰিছে। প্ৰাক্ স্বধীনতাকালত আনকি নাৰীয়ে ৰাজনীতিত অংশগ্ৰহণ কৰি স্বাধীনতা আন্দোলনত মুখ্য ভূমিকা পালন কৰি দেশৰ লগতে অসমীয়া জাতিৰ আত্মসন্মান বঢ়াইছিল।

নাৰী হৈছে শক্তি আৰু প্ৰগতিৰ আধাৰস্বৰূপ। বিভিন্ন নাৰীয়ে প্ৰাচীন কালত সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক, ৰাজনৈকিত আদি বিভিন্ন ভূমিকা পালন কৰি সমাজত উচ্চস্থান পাইছিল। মধ্যযুগত যৌথ পিতৃ প্ৰধান পৰিয়াল আছিল। এনে পৰিয়ালত কণ্যা বা মাতৃ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব নোৱাৰিছিল, কিন্তু জনজাতীয় অসমীয়া সমাজত মহিলাই তুলনামূলকভাৱে স্বাধীনচেতীয়া জীৱন যাপন কৰি, সমাজৰ সামগ্ৰীক জীৱনত অৰিহনা যোগাই পৰিয়ালৰ ভৰণ-পোষণত সহায় কৰিছিল। স্বাধীনতাৰ আগৰ কালছোৱাত অসমৰ হেজাৰ হেজাৰ মহিলাই আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল। নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই থকা অফুৰন্ত শক্তি আৰু মানসিক দৃঢ়তাৰ আঁৰত লুকাই থকা নাৰীশক্তি বিভিন্ন বৈশিষ্ট্যৰে পূৰ্ণ প্ৰাক্‌স্বাধীনোত্তৰ কালৰ সমাজ ব্যৱস্থাত দেখিবলৈ পোৱা যায় আৰু নাৰীসকলে পৰিয়াল, সমাজ তথা দেশৰ বাবে কি ভূমিকা গ্ৰহণ কৰিছিল তাকেই এই গৱেষণা পত্ৰখনত দেখুৱাব বিচৰা হৈছে।

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মাক আৰু বৰ্ণনামূলক পদ্ধতি অৱলম্বন কৰা হৈছে। পত্ৰখন প্ৰস্তুত কৰোঁতে বিভিন্ন সাহিত্যগত সমল যেনে- বেদ, পুৰাণ, উপনিষদ, যোগিনীতন্ত্ৰ, লোকবিশ্বাস, পুৰাতাত্বিক অধ্যয়ন, শিলালিপি আদিৰ পৰাও তথ্যসমূহ আহৰণ কৰা হৈছে।

পৃথিৱীৰ দুটা প্ৰখ্যাত সভ্যতা ভাৰতীয় আৰু চীনা সভ্যতাৰ মিলনভূমি হৈছে অসম। প্ৰাচীন কামৰূপৰ হিন্দু ৰাজত্বৰ অৱসান মুছলমানৰ প্ৰথম, দ্বিতীয় আক্ৰমণৰ পিছত টাই বা শ্বান গোষ্ঠীৰ আহোমসকলে অসমত প্ৰৱেশ কৰিছিল। সেই সময়ছোৱাক অসমৰ ইতিহাসত মধ্যযুগ, ভাৰতৰ ইতিহাসত মোগল যুগ বা মধ্যযুগ বোলে। ইয়াৰ প্ৰথম সময়ছোৱাক তুৰ্কী আফগান (১২০৬ৰ পৰা ১৫২৬ খৃঃ) আৰু পিছৰছোৱা মোগল শাসন আৰু তাৰ পিছৰ ছোৱাক বৃটিছ যুগ বা আধুনিক যুগ বুলি কোৱা হয়। সেয়েহে বিভিন্ন লিপি আৰু সাহিত্যৰ পৰা জনা যায় যে ভাৰতৰ আন দেশৰ দৰে প্ৰাচীন কামৰূপৰ সামাজিক জীৱনো হিন্দু বৰ্ণাশ্ৰম ধৰ্মৰ ওপৰতে প্ৰতিষ্ঠিত আছিল -১/ বৰ্ণ আৰু ২/ আশ্ৰম। কামৰূপত হিন্দুসমাজ এই নীতি দুটাৰ ওপৰত ভিত্তি কৰি চলিছিল। কালিকা পুৰাণত প্ৰত্যেক জাতি আৰু আশ্ৰমৰ কৰ্তব্য আৰু দায়িত্ব বিযদভাৱে আলোচনা কৰা হৈছে।

প্ৰাচীন কালত নাৰীক আপদীয়া বুলি গণ্য কৰা হৈছিল। ঋক্ বেদত নাৰীক কোৱা হৈছিল অদমনীয়, শাসনৰ বহিৰ্ভূত

আৰু মাটিৰ সামগ্ৰিৰ দৰে। নাৰীক সামাজিক মৰ্যাদা অৱনমিত আছিল। ঋক্ বেদৰ প্ৰাচীন অংশত গ্ৰাম্যকেন্দ্ৰীক যাযাবৰী পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত যিমানখিনি প্ৰত্যাশা কৰা যায়, নাৰীৰ স্বাধীনতা সিমানখিনিয়ে আছিল। অৱশ্যে ঋক্ বেদত কেইগৰাকীমান বিদূষী মহিলা, যেনে- ঘোষা লোপামুদ্ৰা, আলাপা, বিশ্ববাৰা ইত্যাদিৰ নাম পোৱা যায়। কিন্তু সামাজিক মৰ্যাদাত নাৰীৰ স্থান আছিল নিম্ন, সামাজিক ভাৱে উচ্চ স্থানত আছিল পুৰুষ, তেওঁলোকৰ সন্মুখত মুখ খোলাতো আছিল অনুচিত। কিন্তু মাতৃপ্ৰধান সমাজ ব্যৱস্থাত মহিলাই পুৰুষ প্ৰধান সমাজ ব্যৱস্থাৰ দৰে মুখ্য ভুমিকা গ্ৰহণ কৰিছিল বুলি জনা যায়। বেদৰ যুগত (2,500-1500 B.C) তিৰোতাৰ স্থান পুৰুষৰ সমান থকা বুলি উল্লেখ পোৱা যায়। মনু হৈছে আইনৰ প্ৰৱৰ্তক। তেওঁ সম্পত্তিৰ ওপৰত সকলোৰে সমান অধিকাৰৰ মতামত আগবঢ়াইছিল, কিন্তু নাৰীৰ ক্ষেত্ৰত কৈছিল “Women for all times to come.”

প্ৰাচীন কামৰূপতো অসমীয়া সমাজত নাৰীৰ স্থান বা পদমৰ্যাদা পুৰুষতকৈ উচ্চ বা গৌণ আছিল বুলি এক কথাতে ক'ব নোৱাৰি। ছোৱালীয়ে নিজে নিজে পাত্ৰ বিচাৰি ল'ব পাৰিছিল যদিও পিতৃ বা ভ্ৰাতৃৰ অনুমোদন এই ক্ষেত্ৰত অপৰিহাৰ্য্য আছিল বুলিয়েই ক'ব পাৰি। বহু তিৰোতাই বিবাহৰ পিছত নিজৰ অসাধাৰণ প্ৰভাৱ বিস্তাৰ কৰাৰ উদাহৰণ আছে। সমাজত ৰজাৰ দৰে ৰাণীসকলোৰো এক স্বকীয় মৰ্যাদা আৰু আদৰ আছিল। প্ৰাচীন প্ৰশস্তি, তাম্ৰপত্ৰসমূহত ৰাণী, তিৰোতা, ৰাজকীয় কৰ্মচাৰীৰ পত্নী আৰু ব্ৰহ্মণৰ পত্নীবিলাকেও উচ্চ আসন লাভ কৰাৰ কথা পোৱা যায়। প্ৰাচীন কামৰূপত ‘ৰাজনী’ (Rajni) নামৰ কিছুমান শাসনকৰ্তী আছিল আৰু ৰজাৰ ৰাণীবিলাকৰ ৰাজ্য শাসনৰ ক্ষেত্ৰত দায়িত্ব আছিল। ৰাণী জীৱদা, হৰ্জৰ বৰ্মণৰক মাক আছিল, তেওঁ ৰাতিপুৱা, সন্ধ্যা উপাসনা কৰি অতিন্দ্ৰীয় শক্তিৰ অধিকাৰী হৈছিল। (Grant of Banamaldeva) গোপালৰ পত্নী নয়না, হৰ্ষপালৰ পত্নী ৰত্না, শ্যামায়িকা আদিৰ গুণ কুন্তী, শুভদ্ৰা আৰু আকাশৰ চন্দ্ৰমাৰ লগত তুলনা কৰিছে।

অসমীয়া তিৰোতাসকল প্ৰসাধন কৌশলত নিপুন আৰু সৌন্দৰ্য্য সাধনত সুদক্ষ যে আছিল তাৰ প্ৰমাণ প্ৰাচীন ভাস্কৰ্য্যবোৰত পোৱা যায়। নৃত্য-সংগীত আদি কলাৰ সাধনা যে অসমীয়া তিৰোতাই কৰিছিল তাৰ সত্যতা দেৱ-দেৱীৰ মন্দিৰত দেৱদাসী নৃত্যৰ প্ৰচলনে দাঙি ধৰে। কিন্তু ধৰ্মৰ অজুহাতত সৰ্ব সাধাৰণ শ্ৰেণীক ফাঁকি দি উচ্চ শ্ৰেণীৰ লোকে গোপন অভিসাৰত লিপ্ত আছিল বুলি প্ৰমাণ পোৱা যায়। ইয়াৰোপৰি ‘বৰগাওঁ’ আৰু ‘তেজপুৰ শিলালিপি'ত বেশ্যা বৃত্তিৰ উল্লেখ আছে। বনমাল বৰ্মণৰ ‘তেজপুৰ শিলালেখ'ত হতকেশ্বৰ শিৱক উপাসনা কৰাৰ বাবে নিজৰ উচৰ্গা কৰা সকলক ‘নটী’ আৰু দালুহাংগনা বুলি কোৱা হৈছিল। ড° কাকতিয়ে কৈছে যে এইটো অষ্ট্ৰিক ভাষাৰ পৰা অহা ‘দালুহা’ (Temple) আৰু ‘অংগনা’ মানে তিৰোতা। পুৰণি অসমত কুমাৰী পূজাৰ প্ৰচলন আছিল কিন্তু পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল। পিন্ধনত অসমীয়া তিৰোতাই মেখেলা, ৰিহা আৰু চাদৰৰ ব্যৱহাৰো অসমীয়া তিৰোতাৰ স্বকীয় বিশেষত্ব ৰক্ষা কৰি আহিছে। বৈদ্যদেৱৰ ‘কৌমলি শিলালেখ'ৰ প্ৰশস্তি, মনৰথ, ব্ৰাহ্মণ ৰাজগুৰুৰ পুত্ৰ মুৰাৰি, আৰু তেওঁৰ পত্নী পদ্মাই লিখিছিল বুলি উল্লেখ আছে। ব্ৰাহ্মণ মহিলা শিক্ষিত নহয় যদিও কবিতা আদি লিখিছিল। মুষ্টিমেয় কেইগৰাকী মান নাৰী শিক্ষিত বা কৃতিত্ব প্ৰদৰ্শন কৰিছিল যদিও সামগ্ৰীক ভাৱে নাৰীৰ জীৱনত শিক্ষাৰ দুৱাৰখন মুকলি আছিল বুলি ক'ব নোৱাৰি। শিক্ষা, ৰাজনীতি, সমাজনীতি এই সকলো বিষয় পুৰুষৰ হাতত এৰি দি সাংসাৰিক কামকাজ নিস্থাৰে পালন কৰাই আছিল নাৰীৰ দায়িত্ব আৰু কৰ্তব্য। ঘৰুৱা কামকাজ কৰা, স্বামীক সেৱা সন্তুষ্ট কৰা, সন্তান জন্মদিয়া, প্ৰতিপালন কৰা - এয়ে আছিল নাৰীৰ ধৰ্ম।

মধ্যযুগীয়া অসমীয়া সমাজত প্ৰাচীন কালৰ দৰেই যৌথ পিতৃতান্ত্ৰিক (প্ৰধান) পৰিয়াল আছিল। আহোমসকল অসমত প্ৰৱেশ কৰা সময়ত এই উপত্যকাৰ সমগ্ৰ জনগোষ্ঠী মূলতঃ দুটা শ্ৰেণীৰ আছিল- এটা হিন্দু আৰু আনটো অনা হিন্দু জনজাতি। অনা হিন্দু জনজাতিসকলে পৰ্বতীয়া অঞ্চল সমূহত বাস কৰিছিল আৰু এওঁলোকৰ জনসংখ্যাই আছিল ৰাজ্যৰ সৰ্বোচ্চ জনসংখ্যা। আহোম যুগত হিন্দু অসমীয়া মহিলাই সকলো কামেই কৰিছিল। তেওঁলোকক সমাজৰ ফালৰ পৰা কোনো কামত বাধা দিয়া নহৈছিল। সেই সময়ত তিৰোতাবিলাক সকলো কামতে পাকৈত আছিল। পৰ্দা ব্যৱস্থাৰ প্ৰচলন নাছিল। ৰাণীৰ পৰা সৰ্বসাধাৰণ তিৰোতালৈকে সকলো মহিলাই নিজহাতে সূতা কাতি কাপোৰ বৈছিল। ৰাজকাৰ্য্য পৰিচালনাৰ ক্ষেত্ৰত শিৱসিংহৰ পত্নী ফুলেশ্বৰী, অম্বিকা দেৱী, সৰ্বেশ্বৰী, চন্দ্ৰকান্ত সিংহৰ মাক ৰাজমাওৰ নাম উল্লেখযোগ্য। মূলাগাভৰু আৰু ৰাধা-ৰুক্মিনী সৈনিক হৈ ৰণলৈ গৈছিল। মন্দিৰ, দেৱালয় আদিত কিছুমান মহিলাই নৰ্তকীৰ কাম কৰিছিল। পোহাৰী আদি বিভিন্ন বৃত্তিৰ লগত তিৰোতাসকল জড়িত হৈছিল। এইদৰে জনজাতীয়, অজনজাতীয় অসমীয়া সমাজত তিৰোতাই উৎপাদন প্ৰক্ৰিয়া আৰু দেশৰ কামৰ অংশীদাৰ হৈছিল। পতিব্ৰতা নাৰী হিচাপে গদাপাণিৰ পত্নী জয়মতী কুৱঁৰীয়ে নিজৰ জীৱন বলিদান দি স্বামীৰ মংগল কামনা কৰি এক আদৰ্শ ৰাখি গৈছে। জয়মতী ৰাজনৈতিক কাৰণত অত্যাচাৰৰ বলি হৈছিল সঁচা কিন্তু গদাধৰ সিংহই তেওঁৰ স্মৃতিৰ কাৰণে একোকে নকৰিলে, সেয়াহে পৰিতাপৰ বিষয়। গাওঁবোৰতো সাধাৰণ খেতিয়ক শ্ৰেণীৰ নাৰীসকল বৰ উদ্যমী

আৰু পৰিশ্ৰমী আছিল। তেওঁলোকে পুৰুষৰ সৈতে সমানে আৰ্জে আৰু গৃহ কাৰ্যত লিপ্ত থাকে। সেই বাবেই ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমদেশৰ তিৰোতাসকল অপেক্ষাকৃতভাৱে স্বাধীন আছিল। মধ্যযুগত বোৰা-কটা স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত মোমাই তামুলী বৰবৰুৱাই প্ৰত্যেক তিৰোতাৰ বাবে বাধ্যতামূলক কৰি দিছিল। তিৰোতা মানুহক চোৰাংচোৱাৰ কামতো নিযুক্তি কৰা হৈছিল। ছোৱালীবোৰৰ আনষ্ঠানিক শিক্ষা নাছিল কিন্তু তেওঁলোকে নৈতিক শিক্ষা, আধ্যাত্মিক জ্ঞান আদি নামঘৰ, ধৰ্মপুথিসমূহৰ পৰা লাভ কৰিছিল। ডা-ডাঙৰীয়াসকলৰ মহিলাসকলৰ বাবে 'মেল' নামৰ এক সুকীয়া অনুস্থান আছিল আৰু ইয়াৰ বাবে ৰাজকোষৰ ধন আৰু পাইকৰ ব্যৱস্থা কৰা হৈছিল।

অসমত মধ্যযুগত যৌতুক প্ৰথা নাছিল বুলিয়েই ক'ব পাৰি। কিন্তু নামনি অসমত (জনজাতি সমাজত) কন্যা মূল্য বা গা-ধন পৰিশোধৰ নিয়ম আছিল আৰু ছোৱালীয়ে নিজে স্বামী বাচি ল'ব পাৰিছিল। সতীদাহ প্ৰথাও আছিল বিৰল। হৰিদেৱ চৰিত্ৰৰ মতে হৰিদেৱৰ মাতৃ পাৰিজাতিয়ে তেওঁৰ স্বামী অজনাভৰ চিতাত উঠি সতী গৈছিল। চাহাবুদ্দিন টালিচে ৰজা-প্ৰজা সকলোৰে তিৰোতা ওৰণি নোলোৱাকৈ বজাৰ কৰা দেখা পাইছিল। শংকৰদেৱৰ নাতিবোৱাৰী কনকলতা, হৰিদেৱৰ কণ্যা ভুৱনেশ্বৰী আদিয়ে ধৰ্মীয় নেতৃত্ব লৈছিল। অৱশ্যে অজনজাতীয় সমাজ ব্যৱস্থাত নাৰী কিছু ক্ষেত্ৰত মুক্ত আছিল।

অসমৰ ইতিহাসত এইবিলাক অনন্য মহিলাৰ দৃষ্টান্ত আছে, যিসকলে সাহিত্য, শিল্পকলা, শাসন ব্যৱস্থা, আনকি যুদ্ধক্ষেত্ৰতো নিজৰ কৃতিত্ব প্ৰদৰ্শন কৰিছে। কিন্তু এই মহিলাসকলো অভিজাত শ্ৰেণী আৰু শাসকগোষ্ঠীৰ পৰা ওলাই অহা, দুই এটাত বাদে ইয়াক সাধাৰণীকৰণ কৰিব নোৱাৰি। সাধাৰণ অসমীয়া নাৰীৰ কোনো ৰাজনৈতিক, সামাজিক বা শিক্ষাৰ অধিকাৰ নাছিল, নাছিল কোনো আত্ম প্ৰকাশৰ সুযোগ।

ভাৰতবৰ্ষত বৃটিছৰ আগমন ভাৰতীয় মহিলাসকলৰ ক্ষেত্ৰত এটা শীৰ্ষবিন্দু বুলি ক'ব পাৰি, কিয়নো বৃটিছৰ আগমনে ভাৰতীয় মহিলাসকলৰ জীৱনলৈ এটা আমূল পৰিৱৰ্তন আনি দিছিল। বৃটিছ শাসন ব্যৱস্থাৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ সামাজিক বিন্যাসৰ ৰূপ সলনি হয়। সামাজিক জীৱন যাত্ৰাৰ নতুন পৰিস্থিতিৰ পৰম সৃষ্টি হোৱা সমাজ সংস্কাৰমূলক আন্দোলন বিলাকে ভাৰতীয় নাৰীৰ লগতে অসমীয়া নাৰীৰ সামাজিক আৰু আইনগত বৈষম্য দূৰ কৰাৰ প্ৰচেষ্টাত ব্ৰতী হয়। সমাজ সংস্কাৰক সকলৰ প্ৰচেষ্টা অনুসৰি সতীদাহ প্ৰথা, বাল্যবিবাহ, বহুবিবাহ আদিত বাধা আৰোপ কৰে, বিধবা বিবাহ আদি আইন গৃহীত হয়। নাৰী শিক্ষাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা দেখা যায়। ব্ৰিটিছ, মিছনেৰি চচাইটি আদি সংগঠনবোৰে নাৰী শিক্ষাৰ ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ কাম কৰিছিল। স্ত্ৰীশিক্ষাৰ প্ৰসাৰণ আৰু সংস্কাৰ আন্দোলনবোৰেই প্ৰকৃততে নাৰীমুক্তিৰ বাট প্ৰশস্ত কৰি দিয়ে। সমাজৰ এই পৰিৱৰ্ত্তিত ৰূপৰেখা ভাৰতৰ বিভিন্ন আঞ্চলিক সাহিত্যবোৰৰ বাটকটীয়া হৈ পৰে। এই ক্ষেত্ৰত আনন্দৰাম ঢেকীয়াল ফুকনৰ জীয়েক পদ্মাৱতী দেৱী ফুকননীৰ "সুধৰ্মাৰ উপাখ্যান" উল্লেখযোগ্য বুলি ক'ব পাৰোঁ। বৃটিছৰ সংস্কাৰৰ প্ৰভাৱ অসমীয়া মহিলাসকলৰ মাজতো পৰিলক্ষিত হয়। অসমীয়া নাৰীয়ে পুৰণি কলীয়া জীৱনশৈলী ত্যাগ কৰি, শিক্ষিত-অশিক্ষিত সকলো মহিলাই আধুনিক জীৱন, সংস্কৃতি আকোৱালি ল'বলৈ শিকিছিল।

প্ৰাক্ স্বাধীনোত্তৰ কালত নাৰী পুৰুষৰ সমতা প্ৰতিষ্ঠা কৰা প্ৰথম ঢাপটো হৈছে শিক্ষা, কিন্তু অসমীয়া নাৰীৰ মাজত শিক্ষা বিস্তাৰৰ বাট ইমান মুকলি নাছিল। স্ত্ৰী শিক্ষাৰ প্ৰতি সমাজৰ কোনো ধৰণৰ সমৰ্থন নাছিল, বৰং ৰক্ষণশীল সমাজখনে প্ৰকাশ্যে তাৰ বিৰোধিতা কৰিছিল। সম্পূৰ্ণ অনীহা, বিদ্ৰূপ, ব্যঙ্গ, সমালোচনা এই সকলো কঠিন পৰ্যায় অতিক্ৰম কৰিহে স্ত্ৰী শিক্ষাই অগ্ৰগতি লাভ কৰিছিল। কিয়নো নাৰী শিক্ষাৰ প্ৰধান অন্তৰায় হৈছে হিন্দু ধৰ্মৰ ৰক্ষণশীলতা আৰু বাল্য বিবাহ ইত্যাদি। অসমত ১৮৩৯ চনত শদিয়াত বেপ্তিষ্ট মিছনেৰিসকলে সৰ্বপ্ৰথম ছোৱালীৰ প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। ১৮৮৯ চনত ইয়াৰ সংখ্যা ১৮৫ খনলৈ বৃদ্ধি পায়। এইদৰে মিছনেৰীসকলৰ প্ৰচেষ্টাতে অসমত স্ত্ৰীশিক্ষাৰ প্ৰসাৰণ হয়। অসমীয়া সমাজত নাৰীয়ে নাৰীক হেয় কৰাৰ উদাহৰণ আমি পাওঁ। চন্দ্ৰপ্ৰভা শইকীয়ানী নাৰী-শিক্ষাৰ বাবে আগুৱাই আহিছিল আৰু নাৰীক কুসংস্কৰৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। সেয়া আছিল নাৰীৰ শক্তিশালী ৰূপৰ প্ৰকাশ।

সামাজিক জীৱন আৰু কৰ্মক্ষেত্ৰতো প্ৰাক্ স্বাধীনতাকালিন সমাজ ব্যৱস্থাত নাৰীয়ে গধুৰ দায়িত্ব মুৰ পাতি লৈছিল। অকল নগৰীয়া জীৱনে নহয়, গাঁৱলীয়া আৰু জনজাতীয় জীৱনতো নাৰীয়ে পৰিৱৰ্তন আনিছিল। পাৰস্পৰিক সহায় সহযোগ বিশেষকৈ পথাৰৰ কামত সহায় কৰাৰ ক্ষেত্ৰত পুৰুষক নাৰীয়ে বিনা বেতন ভোগী শাৰিৰীক শ্ৰমিকৰ দৰে সহায় কৰিছিল। নাৰীয়ে যিহেতু ঘৰত থাকে সেয়েহে ঘৰুৱা ৰন্ধা-বঢ়া, সন্তান লালন-পালন আদি সকলো কৰ্তব্য নাৰীয়ে নিয়াৰিকৈ পালন কৰিছিল।

ভাৰতবৰ্ষত যেতিয়া স্বাধীনতা সংগ্ৰাম আৰম্ভ হয় তেতিয়া অসমীয়া মহিলাইয়ো পিছ পৰি থকা নাছিল। অসমৰ হেজাৰ হেজাৰ মহিলাই' ৪২ ৰ আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল।পাঠশালাত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এই

স্বাধীনতা দিৱসৰ সভাত সভাপতিত্ব কৰে। পুষ্পলতা দাস, গুণেশ্বৰী নাথ আদি মহিলা নেত্ৰী আৰু অসমৰ বিভিন্ন ঠাইৰ মহিলা কৰ্মীয়ে গ্ৰেপ্তাৰ বৰণ কৰে। যোৰহাটৰ সুধালতা দত্তৰ (শইকীয়া) দৰে মহিলাই গোপন চিঠি পত্ৰ বিলাই আত্মগোপনকাৰীৰ আন্দোলনত সহায় কৰিছিল। ফলত বহুতো আটকাধীন মহিলা আন্দোলনকাৰীৰ ওপৰতো অত্যাচাৰ চলোৱা হৈছিল। কানি নিবাৰণ, খাদীৰ প্ৰচলন, অস্পৃশ্যতা বৰ্জন আদি সমাজ সংস্কাৰমূলক আন্দোলনতো মহিলাই সংক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ভাৰত ত্যাগ আন্দোলনত চৰম ত্যাগ কৰা মহিলাৰ সংখ্যাও কম নহয়। পুলিচৰ গুলী চালনাত দৰঙৰ ঢেকীয়াজুলিৰ তিলেশ্বৰী বৰুৱা, কুমলী দেৱী, খন্দলী নাথ, গহপুৰৰ কনকলতা বৰুৱা, বৰহমপুৰৰ ভোগেশ্বৰী ফুকননীৰ মৃত্যু হৈছিল। এওঁলোকৰ উপৰি দেশৰ কাৰণে আত্মবলিদান দিয়া লালমাটিৰ (দৰং) মুংৰী গোলাঘাটৰ দাৰিকী দাস, টিয়কৰ ৰেৱতী লাহন, নগাঁৱৰ অৰনী কোচুনী, লক্ষ্মিমপুৰৰ লীলা নেওগনী ইত্যাদি পুলিচ মিলিটেৰীৰ মাৰপিট, লাঠিচালনা, বেয়নেটৰ খোচ আৰু গুলী চালনাত বহু গৰাকী জীৱনলৈ ঘূণীয়া হয়। এনে অত্যাচাৰৰ দিশৰ পৰা ভাৰতৰ ভিতৰত অসমতেই সৰ্বাধিক মহিলাই এই আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

নাৰী হৈছে বিশ্বৰ সৰ্ব্বমুঠ জনসংখ্যাৰ আধা। সেয়েহে প্ৰাক্ স্বাধীনতা কালৰ সমাজ ব্যৱস্থাত নাৰীয়ে পুৰুষৰ সমানে সমানে আগবাঢ়ি গৈছিল। নাৰী হৈছে শক্তি, শান্তিৰ প্ৰতীক স্বৰূপ। ধৈৰ্য্য নাৰীৰ অন্যতম গুণ। ফল প্ৰাপ্তিৰ বাবে অপেক্ষা নকৰি নাৰী সমাজ যদি নিজৰ মৰ্যাদা লাভৰ বাবে এক গোট হয়, তেনেহ'লে সমাজ পৰিৱৰ্তন নিশ্চয় হ'ব। নাৰী কেতিয়াও ভোগৰ সামগ্ৰী নহয়। তথাপিও আমাৰ সমাজ ব্যৱস্থাত নাৰীক আদৰ্শৰ প্ৰতীক হিচাপে যদি প্ৰতিষ্ঠিত কৰা হয়, তেনেহ'লে নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই থকা অফুৰন্ত শক্তি, সাহস, ধৈৰ্য্য শক্তিশালী ৰূপত দেখা যাব, কিয়নো পৃথিৱীৰ মহান শক্তিবোৰৰ বীজ অঙ্কুৰিত হয় এই নাৰী গৰ্ভতেই। নাৰীৰ আত্ম প্ৰতিষ্ঠা, পুৰুষৰ সমানে সমানে কাম কৰাৰ অধিকাৰ, অৰ্থনৈতিক স্বনিৰ্ভৰশীলতা প্ৰাচীন কালত সমাজৰ বাবে অবিশ্বাস্য আছিল। যি সমাজে নাৰীক দ্বিতীয় লিংগ হিচাপে নিৰ্মাণ কৰিছিল, নাৰীসকলেও সেয়াই সমাজ, সেয়াই জীৱন, অতীত বৰ্তমান সকলো বুলি সাবটি লৈছিল। তেনে ক্ষেত্ৰত প্ৰাক্ স্বধীনতা কালত অসমীয়া সমাজত নাৰীৰ আত্মনুসন্ধান, আত্মআৱিস্কাৰ আৰু স্বনিৰ্ভৰশীলতা যি অভিযান সেয়া এক দুৰ্দমনীয় প্ৰচেষ্টা বুলিব পাৰি। কিয়নো বিভিন্ন বৈশিষ্ট্যৰে পূৰ্ণ প্ৰাক্ স্বাধীনোত্তৰ কালৰ সমাজ ব্যৱস্থাত নাৰীয়ে পৰিয়াল, সমাজ তথা দেশৰ বাবে এক মহত্বপূৰ্ণ ভুমিকা পালন কৰিছিল। ❑

**প্ৰসঙ্গ-পুথি**


১। দত্ত, ড° অজিত কুমাৰ ঃ ঔপনিবেশিক কালৰ অসম (১৮২৬-১৯৪৭) অসম বুক ডিমো, গুৱাহাটী ২০১২

২। ভাগৱতী, ড° তৰুণ চন্দ্ৰ ঃ মধ্যযুগৰ অসম (১২২৬-১৮২৬ খৃঃ) অশোক বুক ষ্টল, পানবজাৰ গুৱাহাটী ২০১২

৩। The Sentinel Melange, June 6,2004.

৪। Barua, B.K,-A Cultural History of Assam, (Early Period)

৫। Sarma, Satyendra Nath-A Social-Economic and culture History og Medieval Assam (1200-1800 A.D)


নৰ্থ কামৰূপ কলেজ শিক্ষক গোটৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰজ্ঞাদীপ'ত প্ৰকাশিত